
উত্তৰণ
শিৱসাগৰ ছোৱালী কলেজ
শিক্ষা বিভাগ
২০২৫ - ২০২৬
সম্পাদিকা
পাহিঁ ঘৰফলীয়া
সহ: সম্পাদিকা
অল্পনা দাস



প্ৰথম ষাণ্মাসিক



তৃতীয় ষাণ্মাসিক


শিক্ষাতত্ত্ব বিভাগ ২০২৫-২৬ বৰ্ষ

ছাত্ৰীসকল




পঞ্চম ষাণ্মাসিক

# উছৰ্গা



শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগলৈ গৌৰৱ কঢ়িয়াই অনা সমূহ ছাত্ৰী তথা শিক্ষাগুৰুসকল আৰু অসমৰ শৈক্ষিক, সামাজিক, সাংস্কৃতিক, ক্ৰীড়াৰ দিশত বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হোৱা ব্যক্তিসকলৰ নামত 'উত্তৰণ'ৰ ২০২৫ - ২০২৬ বৰ্ষৰ চতুৰ্থ সংখ্যাটি উছৰ্গা কৰিলোঁ ।

# কৃতজ্ঞতা



২০২৫-২০২৬ বৰ্ষত চতুৰ্থ সংখ্যাটি প্ৰকাশিত "উত্তৰণ" নামৰ বিভাগীয় আলোচনীখনৰ প্ৰস্তুতিৰ আৰম্ভণিৰে পৰা অন্ত ধৰা আমাৰ শিক্ষাতত্ত্ব বিভাগৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। নিজৰ মনোভাৱ আৰু সৃষ্টিশীল লেখনিৰ ধাৰণাৰে আমাৰ "উত্তৰণৰ" চৰা শুৱনি কৰা সকলো লেখিকালৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে আলোচনীখনৰ সৌন্দৰ্যৰ বৃদ্ধিত সহায় কৰা সকলো সদস্যবৃন্দক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

অল্পনা দাস
সহঃ সম্পাদিকা
শিৱসাগৰ ছোৱালী কলেজ
২০২৫ - ২০২৬ বৰ্ষ

# শুভেচ্ছা বাণী



আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ ছাত্ৰী-সকলৰ দ্বাৰা প্ৰকাশিত হাতেলেখা আলোচনী 'উত্তৰণ'ৰ লগত জড়িত সকলোকে অভিনন্দন জ্ঞাপন কৰিছো।

আলোচনী এখন, তাকো হাতেলেখা আলোচনী উলিওৱাটো সহজ কথা নহয়। এই কাম ছাত্ৰীসকলে আন্তৰিকতাৰে কৰি উচ্চ মানবিশিষ্ট লেখা তথা অলংকৰণ-সমৃদ্ধ আলোচনীখন আমাক উপহাৰ দিয়াত মই সুখী হৈছো। লগতে আশা কৰিছো, 'উত্তৰণ'ৰ এই উৰ্দ্ধমুখী যাত্ৰা অব্যাহত হওক, তাৰে আমাৰ ছাত্ৰীসকলৰো মানসিক উৎকৰ্ষ আৰু বৌদ্ধিক উত্তৰণ সাধন হওক।

ধন্যবাদ আৰু শুভেচ্ছাৰে —

প্ৰতিমা শৰ্মা

ড° প্ৰতিমা শৰ্মা
অধ্যক্ষ,
শিৱসাগৰ ছোৱালী কলেজ
৫ ফেব্ৰুৱাৰী, ২০২৫ ॥

শিৱসাগৰ ছোৱালী কলেজৰ "শিক্ষা-তত্ত্ব বিভাগ" বুলিলেই এক অভিমান মূলক অনুভৱ কৰো, ছাত্ৰীসকলৰ বৌদ্ধিক উত্তৰণৰ বাবে এই বিভাগৰ শিক্ষয়িত্ৰী হিচাবে সদায়েই প্ৰচেষ্টা কৰি আহিছো, তাৰে এটা অংশ হৈছে "উত্তৰণ",

ছাত্ৰীসকলৰ নিজৰ সাহিত্য প্ৰতিভা, অংকন প্ৰতিভা বিকাশৰ বাবে উত্তৰণে সহায় কৰিছে।

"উত্তৰণ" আৰু আগুৱাই যাওক তাৰেই কামনা কৰিলো,

শেষত ছাত্ৰীসকলৰ প্ৰচেষ্টাক শলাগিছো,

মৰমেৰে

শ্ৰী গৌৰিকা ভট্টাচাৰ্য্য
উপাধ্যক্ষা, শিৱসাগৰ
ছোৱালী কলেজ
৪.৯.২০২৫.

# শুভেচ্ছা

শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ লালিত-পালিত এটি দেৱশিশু সদৃশ 'উত্তৰণ'! একলা-দুকলাকৈ বাঢ়ি আহি আহি 'উত্তৰণ' আজি চাৰি-বছৰীয়া হ'লহি! শুভ-কামনা!

"উত্তৰণ"ৰ দুচকুত অলেখ-অযুত সপোনৰ সমাহাৰ!

'উত্তৰণ'ৰ বুকুত আশা আৰু হেপাঁহৰ কল্লোল ঠেলা-হেঁচা!

প্ৰাপ্তি আৰু অপ্ৰাপ্তিৰ বাধিয়াইদি উজাই উজাই 'উত্তৰণ'ৰ আকাশমুখী যাত্ৰা! নিৰবধি! নিৰবধি!

'উত্তৰণ' এপাহি সুগন্ধিময় ফুল হৈ ফুলক! শংখনীল চৰাই এটি হৈ দুলি দুলি উৰি থাকক আকাশৰ মেঘমল্লাত!

শুভেচ্ছা —
শুভেচ্ছা —
শুভেচ্ছা —

অন্তৰিকতাৰে
অনুপমা
( মনু গোঁসাই )
বিভাগীয় মুৰব্বী
08.02.2025

# শুভেচ্ছা বাণী

শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাতত্ত্ব বিভাগৰ ছাত্ৰীসকলৰ উদ্যোগত চতুৰ্থবাৰৰ বাবে বাৰ্ষিক আলোচনী 'উত্তৰণ' প্ৰকাশ কৰিবলৈ লোৱা বুলি শুনি বিভাগৰ এগৰাকী সদস্য হিচাপে অতিশয় আনন্দিত হৈছো। সাম্প্ৰতিক সময়ৰ অতিশয় সুলভ ছপামাধ্যমৰ বিপৰীত ছাত্ৰীসকলে একপ্ৰকাৰ ব্যতিক্ৰম ৰূপত সম্পূৰ্ণ হাতেলিখা আলোচনীত স্থান পোৱা লেখাবোৰে নিশ্চিতভাৱে, শিক্ষাৰ্থীসকলৰ সৃষ্টিশীলতাৰ প্ৰচেষ্টাক শলাগ লৈছো আৰু 'উত্তৰণ'ৰ উত্তৰোত্তৰ কামনা কৰিছোঁ।

বৰ্ণালী লহকৰ ০৩|০৫|২০২৫
(বৰ্ণালী লহকৰ)
সহকাৰী অধ্যাপিকা
শিক্ষাতত্ত্ব বিভাগ
শিৱসাগৰ ছোৱালী কলেজ,
শিৱসাগৰ

# শুভেচ্ছা বাণী

১৯৫৪ চনত প্ৰতিষ্ঠিত হোৱা শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগে এক সুদীৰ্ঘ কাল ধৰি আৰম্ভণিৰে পৰা প্ৰত্যেক বছৰে শিক্ষাৰ্থীসকলৰ দ্বাৰা প্ৰস্তুত কৰা হাতে লিখা আলোচনী "উত্তৰণ" প্ৰকাশিত হৈ আহিছে। বিগত বৰ্ষৰ দৰে এইবাৰো শিক্ষা বিভাগৰ ছাত্ৰীৰ দ্বাৰা প্ৰকাশ পাবলগীয়া "উত্তৰণ" আলোচনীৰ বাবে নথৈ আনন্দিত হৈছোঁ আৰু এই প্ৰচেষ্টাৰ বাবে ছাত্ৰীসকলৰ লগতে শিক্ষা বিভাগৰ সকলো সদস্যক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

এক নাৰী শিক্ষাৰ প্ৰতিষ্ঠান হিচাপে মহাবিদ্যালয়ৰ শিক্ষা বিভাগে শিক্ষাৰ্থীসকলৰ উত্তৰণৰ কাৰণে ক্ৰমাগত ভাৱে কাম কৰি আহিছে আৰু শিক্ষাৰ মাধ্যমেৰে জ্ঞানৰ পোহৰ বিলাই শিক্ষাৰ্থীসকলৰ সৰ্বাংগীন বিকাশ সাধনৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে।

শিক্ষা বিভাগৰ এজন সদস্য হিচাবে শিক্ষা বিভাগৰ ছাত্ৰীসকলৰ দ্বাৰা হাতত এই প্ৰয়াসটিৰ বাবে শলাগ লৈছোঁ আৰু ইয়াৰ লগত জড়িত সদৌটিলৈ পুনৰবাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

বাবুল হুছেইন
সহকাৰী অধ্যাপক
শিক্ষা বিভাগ
শিৱসাগৰ ছোৱালী কলেজ
২০২৫ – ২৬ বৰ্ষৰ

# শুভেচ্ছা বাণী

সাম্প্ৰতিক সময়ৰ যুৱ প্ৰজন্মৰ প্ৰবল "ই-আসক্তি"ৰ বিপৰীতে শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষা বিভাগৰ কেইটা ষাণ্মাসিকৰ ছাত্ৰীসকলে " উত্তৰণ" নামেৰে হাতে লিখা আলোচনী এখন প্ৰকাশৰ বাবে আগবাঢ়ি যোৱাটো অতি শুভ লক্ষণ।

আলোচনীখনে বিভাগটোৰ লগতে কলেজখনৰ বিদ্যায়তনিক জগতখনলৈ এক ৰুচিশীল সাহিত্য চৰ্চাৰ পৰিবেশ গঢ়ি তোলাত অৰিহণা যোগাব বুলি আমি আশাবাদী।

ছাত্ৰীসকলৰ বৌদ্ধিক জাগৰণৰ এই যাত্ৰা সফল হওক। আলোচনীখনৰ লগত জড়িত প্ৰতিগৰাকীলৈ আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছোঁ।

ধন্যবাদেৰে —

অভিজিত বৰপূজাৰী
গ্ৰন্থাগাৰিক
শিৱসাগৰ ছোৱালী কলেজ

# শুভেচ্ছাবাণী

গৰিমাৰে মহিমাৰে, সোণৰ কলচীৰ বগাসতে জিলিকি থকা শিৱসাগৰ ছোৱালী কলেজলৈ সৰ্বপ্ৰথমে মোৰ শতকোটি সেৱা আৰু শ্ৰদ্ধা নিবেদিছোঁ। সময়ে সময়ে ঐতিহ্য বহন কৰি অহা এই শিৱসাগৰ ছোৱালী কলেজৰে এক অংশ হৈছে 'শিক্ষাতত্ত্ব বিভাগ'। কলেজ প্ৰতিষ্ঠা কালৰে পৰা শিক্ষাতত্ত্ব বিভাগে এক সুকীয়া পৰিচয় বহন কৰি আহিবলৈ সক্ষম হৈছে। সেইয়া লাগিলে শৈক্ষিক, সাংস্কৃতিক আৰু ক্ৰীড়াৰ দিশতেই নহওঁক কিয়। এই শিক্ষাতত্ত্ব বিভাগৰে হাতে লিখা আলোচনা 'উত্তৰণ'ৰ চতুৰ্থ সংখ্যাটি অনুজসকলে প্ৰকাশ কৰিবলৈ আগবঢ়োৱাত এগৰাকী প্ৰাক্তন হিচাপে যথেষ্ট আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছোঁ। এই হাতেলিখা আলোচনী কেৱল মাত্ৰ লিখনি বা শিল্পকৰ্মৰ সংকলন নহয়; ই ছাত্ৰীসকলৰ প্ৰতিভা, চিন্তা-ধাৰা আৰু আশা-আকাংক্ষাৰ এক জীৱন্ত প্ৰতিচ্ছবি। ই আমাৰ অতীত আৰু বৰ্তমানৰ মাজৰ এক সেতু, য'ত ছাত্ৰীসকলৰ অৱদান প্ৰবাহমান হৈ থাকে।

মই আন্তৰিকতাৰে সম্পাদকীয় দ'লা আৰু আন আন যোগদানকাৰীসকলে কৰা কঠোৰ পৰিশ্ৰমক প্ৰশংসা কৰিছোঁ, লগতে অভিনন্দন জ্ঞাপন কৰিছোঁ। লগতে বিভাগৰ প্ৰত্যেকগৰাকী শিক্ষাগুৰুৱে কৰা কঠোৰ পৰিশ্ৰমক প্ৰশংসা কৰাৰ লগতে তেওঁলোকলৈ শ্ৰদ্ধা আৰু সন্মানানুসাৰে সেৱা নিবেদিছোঁ।

এই 'উত্তৰণ'ৰ পাততে আমাৰ সকলোৰে সাহিত্যিক কমৰাজি আৰু সৃষ্টিশীল কৰ্মৰাজিসমূহ সীমাবদ্ধ

নাথাকি সমাজৰ মাজলৈ সোমাই যাওঁক তাৰে কামনা ।

শেষত সদোটিলৈ যাচিছোঁ উষ্ণ মৰম আৰু অভিনন্দন।

আন্তৰিকতাৰে

নাম - শ্ৰীমতী ৰশ্মি ফুকন ।
প্ৰাক্তন ছাত্ৰী ।

## মহৎ লোকৰ বাণী -

কাৰ কি জাতি ভগৱানে খবৰ নকৰে
কোনে কি কৰে তাকে হে ভগৱানে খবৰ
ৰাখে ॥

— গুৰু নানক

# সম্পাদকীয়


## একলম...

"মানুহে যিমান পঢ়িবলৈ শিকে, সিমানে ভাবিবলৈ শিকে" ।

— জৱাহৰলাল নেহৰু ।

সাহিত্য আৰু শিক্ষা একেটা মুদ্ৰাৰে ইপিঠি সিপিঠি । শিক্ষাই যেনেকৈ জ্ঞান দিয়ে, ঠিক তেনেকৈ সাহিত্যই জ্ঞানৰ পৰিধি বিকশাই তোলে । কলেজীয়া জীৱনত শিক্ষাৰ্থীসকলৰ সুপ্ত সাহিত্যিক প্ৰতিভাসমূহ বিকশিত কৰাৰ অন্যতম স্থলী হৈছে মহাবিদ্যালয়ৰ আলোচনী তথা প্ৰাচীৰ পত্ৰিকাসমূহ ।

ঐতিহ্যমণ্ডিত শিৱসাগৰ ছোৱালী কলেজৰ শিক্ষাতত্ত্ব বিভাগে শিক্ষাৰ্থী-সকলৰ সুপ্ত সাহিত্যিক প্ৰতিভাসমূহ বিকশাই তোলাৰ উদ্দেশ্যে কেইবাবছৰো ধৰি 'উত্তৰণ' নামৰ এখন বাৰ্ষিক হাতেলিখা আলোচনী প্ৰকাশ কৰি আহিছে । উত্তৰণৰ সহায়তে বিভাগীয় ছাত্ৰীসকলৰ সাহিত্যত থকা দখলসমূহ যেনে- কবিতা, গল্প, প্ৰবন্ধ



আদিৰ সৃষ্টিশীল লেখনি প্ৰকাশ কৰি প্ৰত্যেককে উৎসাহ আৰু প্ৰেৰণা যোগোৱাৰ প্ৰয়াস কৰা হৈছে । চলিত বৰ্ষৰ হাতেলিখা আলোচনী 'উত্তৰণ'ৰ চতুৰ্থ সংখ্যাটিৰ সম্পাদনাৰ দায়িত্ব আমাৰ হাতত তুলি দি এই উত্তৰণৰ কামবোৰ সুচাৰুৰূপে পৰিচালনা কৰি যোৱাত আমাক দিহা-পৰামৰ্শ প্ৰদান কৰা বিভাগীয় শিক্ষাগুৰুসকলক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ । লগতে উত্তৰণখন সম্পাদন কৰাত সহায় কৰা উত্তৰণৰ আঁৰত থকা সদস্যাসকলৰ লগতে সহপাঠী আৰু অনুজসকললৈ আন্তৰিক শুভকামনা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ ।

সদৌ শেষত আলোচনীখন সম্পাদন কৰাৰ সময়ত অনিচ্ছাকৃতভাৱে হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী ।

আন্তৰিকতাৰে

পাহি ঘৰফলীয়া ।

সম্পাদিকা ।

স্নাতক পঞ্চম ষাণ্মাসিক ।

# উত্তৰণৰ আঁখৰ

উপদেষ্টা : দৈগম্বিকা দেৱী
ড° ৰুণু গোঁহাই
কাকলী লস্কৰ
ৰাকিবুল হুছেইন

সম্পাদনা : পাহি খৰঘৰীয়া ।

সহ সম্পাদনা : অলপনা দাস ।

অনুলিখন : স্নিগ্ধাৰাণী ৰাজখোৱা,
শৰিস্মীতা গায়ন ।

বেটুপাত অলংকৰণ : পাঞ্চৰিকা গগৈ,
জেইবিন নাজৰিন ।

সদস্যা : ভায়লিনা দাস,
তৃষ্ণা মিলি, দশমী
কাকতি, চান্দিনী শৰ্মা,
ফাৰহানা বেগম,
জেইবিন বেগম, পলী
নেওগ, শিল্পী চেতিয়া,
প্ৰিয়াঙ্কী গগৈ, চাকিৰা
বেগম, পাঞ্চৰিকা গগৈ,
চেহনাজ বেগম ।

প্ৰকাশন : ০৪/০৯/২০২৫

# অনুক্ৰমণিকা


## প্ৰবন্ধ :

* অসমীয়া সমাজ জীৱনত নামঘৰ
  — অংকিতা দুৱৰা
* কৃত্ৰিম বুদ্ধিমত্তা (AI) আশীৰ্বাদ নে অভিশাপ ?
  — ছেহনাজ বেগম
* আজিৰ যুৱ প্ৰজন্ম : সদনাম আৰু বদনাম
  — শিখামণি গোহাঁই
* উপন্যাস পঢ়াৰ অভিজ্ঞতা
  — বৰ্ণালী বৰা
* সফল ব্যক্তি
  — পাৰিস্মিতা গায়ন
* কঁত হেৰাল আজিৰ মাতৃত্ববোধ
  — স্নিগ্ধাৰাণী ৰাজখোৱা
* নাৰী মানেই সম্পূৰ্ণ
  — ফাৰহানা বেগম
* চেষ্টা ফল মিঠা
  — শিখামণি পাতৰ

## কবিতা :

* শৰৎ অহাৰ বাটে
* আই
* প্ৰকৃতিৰ প্ৰেম
* মা তুমি অনন্যা
* এনেকৈয়ে জীৱন জীয়াই থাকে

* যন্ত্ৰণাময় জীৱন
* কৃষ্ণচূড়া
* বসুমতী
* দাৰলীয়া জীয়ৰী
* শহীদ প্ৰণামো তোমাক
* নিস্তব্ধতা
* Echoes of Dawn

গল্প :

মনীষাৰ যাত্ৰা
— ময়ূৰী দেকা

শিক্ষকতা
— মনস্বিতা শৰ্মা

নীলা খামৰ চিঠি



# অসমীয়া সমাজ জীৱনত নামঘৰ

নৱবৈষ্ণৱ ধৰ্মলৈ জাগৰণ অনা অসমীয়া কলা সংস্কৃতিৰ প্ৰাণপুৰুষ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰ আৰু নামঘৰসমূহ এটা সুকীয়া বৈশিষ্ট্য আছে। পৰৱৰ্তী কালত এই নামঘৰ আৰু সত্ৰসমূহ সামাজিক নীতি-নিয়ম। ভকতসকলৰ দৈনন্দিন শুক-সাত্ত্বিক কৰ্ম পদ্ধতি আচৰণ, শিক্ষা, মানৱ প্ৰেম আৰু ভক্তি ৰসেৰে ভৰপূৰ ধৰ্মীয় অনুষ্ঠান হৈ পৰিছিল। সত্ৰসমূহৰ দৰে নামঘৰ অসমীয়া জনজীৱনৰ সাংস্কৃতি সম্পদ। নামঘৰত গুৰুজনাই সৃষ্টি কৰিছিল সত্ৰীয়া সংস্কৃতিৰ অপূৰ্ব সৃষ্টি অংকীয়া নাট। গ্ৰামাঞ্চলত ধৰ্মপ্ৰচাৰ উপৰি ৰাইজৰ বিভিন্ন অংকীয়া ভাওনা আদি নামঘৰত অনুষ্ঠিত হয়। নামঘৰ কেৱল ধৰ্মীয় অনুষ্ঠানেই নহয়; সামাজিক, বৌদ্ধিক সকলো দিশৰে উত্তৰণ ঘটাই আধ্যাত্মিক চিন্তা-চৰ্চাৰ পোহৰ বিলোৱা সাংস্কৃতিক কেন্দ্ৰ।

গাঁৱে-ভূঞে নগৰে বিচৰিত হৈ থকা নামঘৰবোৰ অসমীয়া বৈষ্ণৱ সমাজৰ ৰাজহুৱা উপাসনাস্থলী। পবিত্ৰ ভাদ মাহত উজনি নামনি, মধ্য অসমৰ সকলো নামঘৰ বৈষ্ণৱ প্ৰাণ ভক্তৰ সমাগম আৰু হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰে। যোৰহাট 'ঢেকীয়াখোৱা বৰ নামঘৰ', গোলাঘাটৰ 'আঠখেলীয়া বৰ নামঘৰ' দৰে গুৱাহাটী মহানগৰৰ নামঘৰবোৰ নাম প্ৰসংগ ভাগৱত চৰ্চাৰ আধ্যাত্মিক ভাৱত মুখৰ হৈ থাকে। কোচবিহাৰ মধুপুৰ সত্ৰ, মাজুলীৰ সত্ৰৰ পৰা আমন্ত্ৰণ কৰি অনা বিশিষ্ট ভকতৰ সুৱীয়া কণ্ঠৰ ভাগৱত পাঠ আৰু শাস্ত্ৰত ব্যাখ্যা, প্ৰকৃত ৰাগ তালেৰে পৰিবেশন কৰা মহাপুৰুষ দুজনাৰ বৰগীত আৰু কীৰ্তনৰ ঘোষা-পদৰ শুৱলা লয়ৰ ধ্বনিয়ে ভাদমহীয়া নামঘৰলৈ আধ্যাত্মিক বাতাবৰণ আনে। এই বাতাবৰণে ভকতক 'নিৰাকাৰ; নিৰঞ্জন' কৃষ্ণৰ পৰমানন্দত মজি থাকিবলৈ উদ্বুদ্ধ কৰে।

বিভিন্ন প্ৰান্তৰ পৰা ভকতসকলে গুৱাহাটীলৈ আহি নামধৰ্ম প্ৰচাৰ কৰি আছে। সত্ৰত থকা ভকতৰ দৰে নামঘৰীয়াসকলে গুৰুজনাৰ আদৰ্শৰে শুদ্ধ, সত্ত্ব কৰ্মপদ্ধতিৰে পুৱা গধূলি নাম-প্ৰসংগ কৰি সংখ, দবা, তাল, কাঁহৰ মংগলধ্বনিৰে বাইজৰ মংগলৰ কাৰণে ভগৱন্তৰ চৰণত প্ৰাৰ্থনা জনায়। নামধৰ্মৰ ধ্বনিৰে অনুপ্ৰাণিত নামঘৰীয়াই শাস্ত্ৰৰ জ্ঞানেৰে, সুস্থ চিন্তা-চৰ্চাৰে সমাজখনক একতাৰ ডোলোৰে বান্ধি ৰাখে।

পঞ্চদশ শতিকাৰ বৰ অসমৰ উচ্ছৃংখল সমাজত শংকৰ গুৰুজনাই 'একশৰণ' নামধৰ্ম প্ৰচাৰ কৰি সাম্য মৈত্ৰী, ঐক্য-সম্প্ৰীতি আৰু শান্তিৰ বাণী বিলাইছিল। গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, জয়ন্তীয়াৰৰ মাধৱ আতৈ। আহোমৰ নৰহৰি, নগাৰ নৰোত্তম, ভুটিয়াৰ জয়ৰাম, মুছলমানসকলৰ চান্দ সাইক শৰণ দি পৰ্বত-ভৈয়াম, বৰলুইতৰ দুয়োপাৰৰ জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ সমন্বয় সেতু গঢ়িছিল। সমাজৰ গাৰিগাঁথনি সুদৃঢ় কৰিবলৈ জাত-পাত, শ্ৰেণী বৈষম্যহীন এখন সমাজ গঠনৰ কাৰণে শংকৰ মহাপুৰুষে নামঘৰ প্ৰতিষ্ঠা কৰিছিল। একবিংশ শতিকাৰ দ্বিতীয় দশকৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলো দিশতে অস্থিৰ সমাজ জীৱনত আধ্যাত্মিকতাৰ প্ৰাসংগিকতা আহি পৰিছে। নামঘৰৰ আধ্যাত্মিকতাৰ পৰিৱেশে মানসিক উৎকৰ্ষ সাধনত বৰঙণি যোগায়। সংসাৰক্লিষ্ট আপিত-জনক-সন্তাপিত কৰে-সমাজক সঠিক পথৰ সন্ধান দিয়ে। কৃষ্ণ নামগুণ, শ্ৰৱণ কীৰ্তনেৰে, আত্মজ্ঞান, পৰমসত্যৰ অনুসন্ধান, মানৱ-প্ৰেম, বিশ্ব ভাতৃত্ববোধ স্ৰষ্টাৰ আৰু দ্ৰষ্টাৰ দেহ মনৰ সংগীত এই সকলোবোৰ অনুভূতিৰ বৈভৱেৰে সমুজ্জ্বল শ্ৰীমন্ত শংকৰদেৱৰ নামধৰ্মৰ দৰ্শন।

ভাগৱতে কৈছে - " মহাধৰ্ম কৰ্ম যত আছে সংসাৰত, নাম স্মৰণন্তে উপজে মনত"।

কলিযুগতকৈ নামতকৈ শ্ৰেষ্ঠ আন একো নাই। প্ৰবহমান নদীৰ দৰেই নামঘৰত হৰিনামৰ ৰসৰ -'প্ৰেম অমৃতৰ নদী' বয়। ভিন্ন ভিন্ন জাতি-জনজাতিৰ কৃষ্টিৰ সমলয়েৰে শংকৰ গুৰুজনাই অসমীয়া জাতিৰ সাংস্কৃতিক বুনিয়াদ গঢ়িছিল।

অসমীয়া কলা সংস্কৃতিৰ নামঘৰতে থূপ খাই আছে। গুৰুজনাৰ ধৰ্মীয় দৰ্শন, সৃষ্টিৰাজি, কৰ্মৰ ঐতিহ্য, পৰম্পৰা ৰীতিকাতুৰি নামঘৰে বহন কৰি আছে।

— অংকিতা দুৱৰা

স্নাতক প্ৰথম ষাণ্মাসিক

মহৎ লোকৰ বাণী -

সৰু বুলি কাকো অৱহেলা নকৰিবা, তুমি সৰু বুলি ভবা বস্তু এটাই কেতিয়াবা বিৰাট সত্যৰ সন্ধান দিব পাৰে।

—— গেটে

# কৃত্ৰিম বুদ্ধিমত্তা (AI) - আশীৰ্বাদ নে অভিশাপ ...?

আজিৰ বৈজ্ঞানিক যুগত কৃত্ৰিম বুদ্ধিমত্তা (AI) বিশ্বব্যাপী এক গুৰুত্বপূৰ্ণ প্ৰযুক্তি ৰূপে স্থান গ্ৰহণ কৰিছে। AI হৈছে সেই প্ৰযুক্তি, যি কম্পিউটাৰ বা মেচিনক মানুহৰ দৰে চিন্তা কৰিবলৈ, শিকিবলৈ, সমস্যা সমাধান কৰিবলৈ আৰু সিদ্ধান্ত লবলৈ সক্ষম কৰে। যুক্তি, শিকণ, ভাষা - বুজা আৰু বুদ্ধিমান ব্যৱহাৰ এই সকলোবোৰ মানৱ বুদ্ধিমত্তাৰ উপাদানসমূহ AI ৰ মাধ্যমেৰে কম্পিউটাৰত প্ৰতিফলিত কৰা হয়।

বৰ্তমানৰ সময়ত এই দ্ৰুতগতিত আগবাঢ়ি যোৱা বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত কৃত্ৰিম বুদ্ধিমত্তা হৈছে এজন নৱযুগৰ সহযোগী। ই একেবাৰে শিকে, চিন্তা কৰে সিদ্ধান্ত লয় আৰু সমস্যা সমাধানৰ বাবে নিৰৱচ্ছিন্নভাৱে কাম কৰি থাকে। এতিয়া প্ৰশ্ন উঠে — এই AI মানৱ জাতিৰ বাবে এক আশীৰ্বাদ নে ভৱিষ্যতৰ অভিশাপ ?

বিশ্বখ্যাত 'Terminator' চলচ্চিত্ৰ শৃংখলাত স্কাইনেট নামৰ এটি কল্পনাপ্ৰসূত AI ৰ উত্থান আৰু তাৰ ফলত মানুহ জাতিৰ বিলুপ্তিৰ কাহিনী দেখুওৱা হৈছে। স্কাইনেট এটা সামৰিক উদ্দেশ্য তৈয়াৰ কৰা "Global Digital Defanse Network" যি নিজৰ ওপৰত আত্ম - চেতনা লাভ কৰি মানুহক ধ্বংস কৰাৰ পথ বাচি লয়। যদিও এইটো কেৱল এখন কল্পচিত্ৰ,

তথাপি আজি সেই কল্পনা বাস্তৱ হোৱাৰ আশংকা বহু বিজ্ঞানীৰ মনত উঠে। বিশেষকৈ ষ্টিফেন হকিং-ৰ দৰে মহান বিজ্ঞানীয়ে যেতিয়া কৃত্ৰিম বুদ্ধিমত্তাক মানুহ জাতিৰ অন্তৰ সম্ভাৱনাৰ সৈতে তুলনা কৰে, তেতিয়াৰ পৰা এই আলোচনা অধিক গম্ভীৰ হয়। AI ৰ যি সম্ভৱত : মানুহৰ বিলুপ্তিৰ কাৰণ হ'ব পাৰে।

বিশ্ববিখ্যাত পদাৰ্থবিজ্ঞানী যি ষ্টিফেন হকিং, যাক বিংশৈনৰ এজন জীৱন্ত কিংবদন্তী বুলি গণ্য কৰা হয়, তেওঁৰ এক আনুষ্ঠানিক বিবৃতিত স্পষ্ট ভাষাৰে আৰু স্পষ্টভাৱে কৈছিল, " সম্পূৰ্ণ বিকাশ লাভ কৰা AI য়ে মানুহ জাতিৰ অন্ত হ'ব পাৰে। এই বক্তব্যৰ পিছত আছে গভীৰ গৱেষণা আৰু বিজ্ঞানগত দৃষ্টিভংগী। হকিংয়ে বহু সময়ত বিভিন্ন বক্তৃতাত সতৰ্ক কৰি কৈছিল, যদি আমি AI ৰ নিয়ন্ত্ৰণ নলওঁ, তেন্তে AI মানুহৰ ইচ্ছাৰ বিপৰীতে নিজৰ সিদ্ধান্ত ল'ব পাৰে। ই জীৱন বিধ্বংসী হ'ব পাৰে। এনে এজন বিজ্ঞানীয়ে এনে সতৰ্ক দিছিল, যদি মানুহে AI-ৰ বিপদৰ লগত কেনেদৰে মোকাবিলা কৰিব নাজানে, তেন্তে AI হ'ব পাৰে মানুহৰ ইতিহাসৰ অন্তিম ঘটনা।

AI : এক সময়ত উপকাৰী বন্ধু আৰু ভয়ংকৰ শত্ৰু — ষ্টিফেন হকিংয়ে এই কথা স্বীকাৰ কৰিছিল যে, AI-এ মানুহ জাতিৰ বাবে অভাৱনীয় উপকাৰ কৰিব পাৰে, যদি সঠিকভাৱে ব্যৱহাৰ কৰা হয়। AI ৰ সমাধত

ৰোগবিধি, খাদ্য সংকট, শিক্ষাৰ অভাৱ আদি সমস্যাৰ সমাধান সম্ভৱ । কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত স্থাপিত Leverhulme centre for the future of Intelligence (LCFI) হৈছে AI ৰ সম্ভাৱনাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ । হকিং ৰ মতে, "এইটো মানুহ জাতিৰ সৰ্বশ্ৰেষ্ঠ সফলতা হ'ব পাৰে । কিন্তু আমি যদি ইয়াৰ বিপদৰ সন্মুখীন হ'ব নোৱাৰো, তেন্তে ই শেষ সফলতা হ'ব ।

আচল কথা হ'ল – AI হৈছে মানুহৰ বাবে এক ভয়ংকৰ ভাবুকিও আৰু এক উপকাৰী বন্ধু । শক্তিশালী স্বয়ংক্ৰিয় অস্ত্ৰসকল নিশ্চিতভাৱে ভয়ৰ কাৰণ । কিন্তু AI –এ কিছু লোকে নতুন সম্ভাৱনাৰ দুৱাৰ খুলিব, যিয়ে বিশ্বৰ বৃহৎ সংখ্যক মানুহৰ ওপৰত শোষণ আৰু অত্যাচাৰৰ পথ মুকলি কৰিব । ই অৰ্থনৈতিক ভয়ংকৰ বিপৰ্যয় আনিব পাৰে । হকিংয়ে কৈছে, "ভৱিষ্যত সময়ত AI – এ নিজৰ ইচ্ছা গঢ়ি তুলিব, যিয়ে মানুহৰ ইচ্ছাৰ সৈতে সংঘাত সৃষ্টি কৰিব পাৰে । এক কথাত এটা সম্পূৰ্ণ শক্তিশালী AI ৰ জন্ম হৈছে মানুহ জাতিৰ বাবে আটাইতকৈ ভাল বা আটাইতকৈ বেয়া ঘটনা । আমি এতিয়ালৈকে নাজানো, কোনটো হ'ব ।"

আজিৰ কাম আৰু ভৱিষ্যতৰ কাম একেই

নহয়। AI বিশেষজ্ঞৰ প্ৰয়োজন দিনক দিনে বাঢ়ি আহিছে। AI-এ মানুহে কৰিব নোৱাৰা জটিল কাম নিমিষতে কৰিব পাৰে। AI-ৰ দ্বাৰা প্ৰস্তুত যন্ত্ৰয়ে একে কাম বাৰে বাৰে কৰি ভাগৰুৱা নহয়। কোম্পানী-বোৰে বহু কামত AI-ৰ দ্বাৰা মানুহক বাদ দি কাম কৰিব পাৰিব। বাণিজ্যিক উৎপাদনত কোনোৱে AI-ৰ লগতে প্ৰতিযোগিতা কৰিব নোৱাৰে। AI-চালিত যন্ত্ৰই বহুতৰ চাকৰি কাঢ়ি ল'ব পাৰে। যদিও উচ্চদক্ষ বিশেষজ্ঞৰ প্ৰয়োজন বাঢ়ে, তেন্তে সাধাৰণ কৰ্মচাৰী আৰু প্ৰযুক্তিবিদৰ ঠাই এই যন্ত্ৰয়ে লৈ ল'ব।

<u>শেষ কথা</u> ঃ

মানুহে গঢ়ে AI, কিন্তু কেতিয়াবা AI য়ে গঢ়িব পাৰে মানুহৰ ভৱিষ্যৎ — এই কথা নাপাহৰিবা। সেয়ে AI একে সময়তে আশীৰ্বাদ আৰু সম্ভাব্য অভিশাপ দুয়োটাই হ'ব পাৰে।

— ছেহনাজ বেগম,
স্নাতক পাঠ্যক্ৰম ষাণ্মাসিক।

# আজিৰ যুৱ প্ৰজন্ম: সদনাম আৰু বদনাম

যুৱ প্ৰজন্ম যিকোনো ৰাষ্ট্ৰৰ প্ৰাণশক্তি; ভৱিষ্যত আৰু আশা-আকাংক্ষাৰ আধাৰ। সমাজৰ বিকাশ আৰু সভ্যতাৰ ধাৰা আগুৱাই লৈ যোৱাৰ মূল ভাৰ বহন কৰে এই যুৱ সমাজে। তেওঁলোকে জীৱনৰ শক্তি, ধৈৰ্য্য আৰু সপোনৰ জোৰে আগুৱাই যায় আৰু সকলো নতুন চিন্তা, সৃষ্টি আৰু উদ্ভাৱনৰ পৃষ্ঠপোষক হয়। বৰ্তমান অসম তথা বিশ্বৰ পৰিসৰত যুৱ প্ৰজন্মৰ আচৰণ, অৱদান আৰু কাৰ্যকলাপত একেলগে সদনাম আৰু বদনাম দুয়ো দেখা যায়। একেদৰে তেওঁলোকে উন্নতিৰ পথ প্ৰদৰ্শন কৰি সমাজৰ আগবঢ়াই লীব পাৰিছে; আকৌ আন এক দিশত নানান সমস্যাৰ লগত জড়িত হৈ সমাজৰ উদ্বিগ্ন কৰি তুলিছে।

যুৱ প্ৰজন্মৰ সদনামৰ দিশত প্ৰথমতে কʼবলগীয়া বিষয় হ'ল শিক্ষাৰ উন্নতি। ইন্টাৰনেট, আধুনিক প্ৰযুক্তি আৰু বিশ্বায়নৰ যুগত আজিৰ যুৱ সমাজে অধ্যয়ন আৰু জ্ঞানৰ ক্ষেত্ৰত নতুন দিশ উন্মোচন কৰিছে। বিজ্ঞান, প্ৰযুক্তি, সাহিত্য, শিল্প আৰু ক্ৰীড়া ক্ষেত্ৰত যুৱক-যুৱতীয়ে সাফল্য অৰ্জন কৰি দেশ বিদেশত নাম কঢ়িয়াই আনিছে। প্ৰাকৃতিক বিপদ বা সামাজিক সংকটৰ সময়ত যুৱ সমাজৰ স্বেচ্ছাসেৱী ভূমিকা বিশেষভাৱে উল্লেখযোগ্য। ৰক্তদান শিবিৰ, পৰিষ্কাৰ অভিযান, গাঁও-চহৰৰ উন্নয়নমূলক কাৰ্যসূচী আদি সকলো যুৱ সমাজৰ সক্ৰিয় অংশগ্ৰহণত

দেখা যায়। লগতে ক্ৰীয়াক্ষেত্ৰত হিমা দাস আৰু লাভলীনা বৰগোহাঁইৰ দৰে প্ৰতিভাই অসমক বিশ্ব মঞ্চত গৌৰৱ দান কৰিছে। সংগীত, সাহিত্য আৰু সংস্কৃতিৰ বিভিন্ন মঞ্চতো যুৱ সমাজে নিজৰ স্থান দখল কৰি আছে। তদুপৰি চাকৰিৰ বাবে কেৱল অপেক্ষা নকৰি বহু যুৱকে নিজেই উদ্যোগ লৈ অনলাইন ব্যৱসায়, উদ্যোগশীলতা আৰু নৱীন কৰ্ম সংস্থাপন সৃষ্টি কৰি সমাজৰ বাবে উদাহৰণ দিছে।

কিন্তু সুনামৰ লগতে বদনামো সমানে প্ৰকট। যুৱ-প্ৰজন্মৰ ভিতৰত নিচাৰ আসক্তি ভয়ংকৰ ৰূপত বৃদ্ধি পাইছে। মাদকদ্ৰব্য, মদ আদি বস্তুৰ প্ৰভাৱত বহু যুৱকে নিজৰ জীৱন ধ্বংস কৰি পেলাইছে যাৰ বাবে পৰিয়ালৰ শান্তি বিনষ্ট হৈছে। আনহাতে মোবাইল আৰু ইণ্টাৰনেটৰ অপব্যৱহাৰো এক প্ৰধান সমস্যা। শিক্ষাৰ সঠিক ব্যৱহাৰ সলনি বহু যুৱকে অনলাইন গেম, অশ্লীল বিনোদন আৰু সামাজিক মাধ্যমৰ আসক্তিত দিন-ৰাতি সময়ৰ নষ্ট কৰিছে। ইয়াৰ ফলত অধ্যয়ন আৰু সৃষ্টিশীল কৰ্মৰ প্ৰতি অনীহা বৃদ্ধি পাইছে। লগতে নৈতিক মূল্যবোধৰ হ্ৰাস, বয়োজ্যেষ্ঠৰ প্ৰতি শ্ৰদ্ধাৰ অভাৱ, লক্ষ্যহীনতা আৰু হতাশাৰ দৰে সমস্যাসমূহে যুৱ সমাজৰ উন্নতিৰ পথক বাধাগ্ৰস্ত কৰি তুলিছে। চাকৰি অভাৱত হতাশ যুৱক-যুৱতীসকলে বহু অপৰাধ, অনৈতিকতা আৰু অপসংস্কৃতিৰ লগত জড়িত হোৱাৰ দৃষ্টান্তো সমাজত প্ৰতিদিনে দেখা যায়।

অসম তথা ভাৰতবৰ্ষৰ পৰিসৰত হিমা দাস,

লাভলীনা বৰগোহাঁই, ভোগেশ্বৰ বৰুৱাৰ দৰে ক্ৰীড়াবিদ অথবা জয়াদীপ বৰঠাকুৰ, মনোজ পাণ্ডে আদিৰ উদ্যোগ পতি সদনামৰ দৃষ্টান্ত। আনহাতে সংবাদপত্ৰত প্ৰায় প্ৰতিদিনে প্ৰকাশ হোৱাৰ মাদকচালানা ধৰা পৰা ঘটনা, নিশাৰ বাবে যুৱকৰ মৃত্যু, ছাত্ৰ সমাজৰ সংহিতা আদিৰ বদনাম নিদৰ্শন। এই দৰে সদনাম-বদনাম দুয়ো সমাজৰ একেলগে অৱস্থান কৰিছে।

শেষত ক'বলগীয়া কথা হ'ল যুৱ সমাজ কোনো ৰাষ্ট্ৰৰ মূলধন। সদনামৰ দিশত আগবাঢ়িলে দেশ উন্নত হ'ব; বদনামৰ পথত চলিলে সমাজ অন্ধকাৰলৈ বাগৰি যাব। যুৱ প্ৰজন্মৰ সঠিক দিশে আগুৱাই লৈ যোৱাৰ বাবে পৰিয়াল, বিদ্যালয়, সমাজ আৰু চৰকাৰে একেলগে দায়িত্ব লব লাগিব। শিক্ষা, নৈতিকতা, দায়িত্ব-বোধ আৰু কৰ্মশীলতাৰে গঢ়ি তুলা যুৱক-যুৱতীয়ে দেশৰ ভৱিষ্যত শৃংখলিত কৰিব। যুৱ প্ৰজন্ম সচাঁকৈয়ে ৰাষ্ট্ৰৰ মুকুতামণি, সেয়েহে তেওঁলোকক সঠিক দিশা প্ৰদান কৰাটোৱেই আমাৰ সকলোৰে একান্ত কৰ্তব্য।

— শিখামণি গোহাঁই
স্নাতক তৃতীয় ষাণ্মাসিক

# উপন্যাস পঢ়াৰ অভিজ্ঞতা

মানুহৰ জীৱনত কিতাপৰ বিশেষ স্থান আছে। সকলো কিতাপৰ মাজত উপন্যাসৰ স্বাদ একেবাৰে বেলেগ। মই ব্যক্তিগতভাৱে যেতিয়া উপন্যাস পঢ়িছো, তেতিয়া যেন এখন নতুন জগতত প্ৰৱেশ কৰোঁ। উপন্যাসৰ চৰিত্ৰসমূহ অলপ অলপকৈ নিজৰ দৰে লাগিব ধৰিছে আৰু তেওঁলোকসকলৰ সুখ-দুখো নিজৰ দৰে অনুভৱ হয়।

উপন্যাস পঢ়ি কেতিয়াবা হাঁহি আহে, কেতিয়াবা চকুত পানী আহে আৰু কেতিয়াবা মনত অনুভৱ হয় মইয়ো সেই কাহিনীৰ এটা অংশ। এখন ভাল উপন্যাস কেৱল আনন্দ নহয়; জীৱনক চাবলৈ নতুন দিশ প্ৰদান কৰে। উপন্যাস পঢ়াটো হৈছে জীৱনৰ অমূল্য অভিজ্ঞতা সংগ্ৰহ কৰা এটা মাধ্যম।

## ভাল লগা উপন্যাস ...

প্ৰথম উপন্যাস নহ'লেও এখন ভাল লগা উপন্যাস হৈছে "নিৰিবিলি", কৌশিক নন্দন বৰুৱাৰ এই উপন্যাসখনৰ ভাষাশৈলী অতিকৈ সাৱলীল। "নিৰিবিলি" উপন্যাসখনৰ চৰিত্ৰবোৰৰ সকলোৰে নিজস্ব বৈশিষ্ট্য আছে। এই উপন্যাসখনৰ প্ৰিয় চৰিত্ৰটো হৈছে "ময়ূৰ"। এই চৰিত্ৰটো সকলোতকৈ পৃথক। লগতে পাঠকৰো

অতিকৈ প্ৰিয় ।

প্ৰেমৰ সুৰ , জীৱনৰ ছবি , মনৰ অনুভৱে এই সকলোবোৰ " নিৰিবিলি " উপন্যাসখনত একেলগে পাইছিলোঁ । সঁচাকৈয়ে , এই উপন্যাসখনে মোৰ হৃদয়ত এক চিৰন্তন ছাপ এৰি গ'ল ।

— বৰ্ণালী বৰা ,
স্নাতক পঞ্চম ষাণ্মাসিক·

মহৎ লোকৰ বাণী —

* কবিতা , তেজক চিয়াহীলৈ পৰিণত কৰা যান্ত্ৰনা — ইলিয়ট ·

* জোৰৰ সাৰিলে যিদৰে যাইতোমৰ পৰিষ্কাৰ হয় , তেনেকৈ ভুল স্বীকাৰ কৰিলে অন্তৰমন পবিত্ৰ হয় ।

— মহাত্মা গান্ধী

# সফল ব্যক্তি

সফল ব্যক্তি সেইজন যি নির্দিষ্ট এক লক্ষ্য নির্ধাৰণ কৰি নিজৰ জীৱনত কঠোৰ পৰিশ্ৰম, ধৈৰ্য, আত্মবিশ্বাস আৰু সহনশীলতাৰ সহায়ত সেই লক্ষ্যত উপনীত হয়। সফলতা কোনো ভাগ্যৰ লেখা নহয়, ই একাগ্ৰতা, মনোবল আৰু সদায় আগবাঢ়ি যাবলৈ মন স্থিৰ কৰা মানসিকতাৰ ফল। জীৱনত সফল হ'বলৈ ধন-সম্পত্তি থাকিব লাগে তেনেকুৱা নহয়। সঁচা সফলতা মানে হ'ল নিজৰ জীৱনৰ উদ্দেশ্য পূৰণ কৰি সমাজত এক সুস্থ মানৱ হিচাপে চিনাকি হ'ব পৰা।

সফল ব্যক্তিয়ে সময়ৰ মূল্য বুজে। তেওঁ অলসতা পছন্দ নকৰে আৰু প্ৰতিটো সময় উপযুক্তভাৱে ব্যৱহাৰ কৰে। তেওঁ নিজৰ ভুলৰ পৰা শিক্ষা গ্ৰহণ কৰে আৰু সেই ভুলৰ পুনৰাবৃত্তি নকৰে। তেওঁ আত্মবিশ্বাসী হয়। কিন্তু অহংকাৰী নহয়। সফলতা কোনো কল্পনা নহয়, ই কঠোৰ বাস্তৱ। যাক লাভ কৰিবলৈ প্ৰতিদিনেই আত্ম-উন্নয়নৰ বাবে চেষ্টা কৰাটো আৱশ্যক।

সফল হ'বলৈ শিক্ষাৰ প্ৰয়োজন। কিন্তু তাৰ লগতে সদগুণবোৰ যেনে - সততা,

সহানুভূতি , অধ্যৱসায়, শৃংখলা আদি থাকিব লাগিব । সফল ব্যক্তি কেৱল নিজৰ উন্নতিৰ বাবে নহয়, আনৰ সহায়ত সদায় আগ্ৰহী হৈ থাকে । তেনে ব্যক্তি সমাজৰ বাবে এক উদাহৰণস্বৰূপ হয় ।

— পৰিস্মীতা গায়ন ,
স্নাতক পঞ্চম ষাণ্মাসিক ।

## মহৎ লোকৰ বাণী -

আপোনাৰ জীৱন কিতাপৰ ভৱিষ্যতৰ পৃষ্ঠাবোৰ এতিয়াও খালী হৈ আছে, আপোনাৰ ইচ্ছা অনুযায়ী আপোনাৰ জীৱন কাহিনী লিখক ॥

— জিতু দাস

# ক'ত হেৰাল আজিৰ মাতৃত্ববোধ

'মা' শব্দটো এটা পবিত্ৰ শব্দ, যাক পৃথিৱীৰ কোনো বস্তুৰ লগতে তুলনা কৰিব নোৱাৰি। অসমীয়া সাহিত্যত এষাৰ কথা আছে যে, "নৈৰ সমান হ'ব কোন, আইৰ সমান হ'ব কোন।" মাতৃৰ বুকুৰ উম ইমানে সজীৱ যে, মৃতপ্ৰায় ব্যক্তিকো জীৱিত কৰি তুলিব পৰা ক্ষমতা থাকে। যি গৰাকী মাতৃয়ে ন-মাহ ন-দিন নিজ গৰ্ভত ৰাখি জন্ম দি আমাক এই শ্যামলীয়া সুন্দৰ ধৰণীৰ অপৰূপ সৌন্দৰ্য দেখুৱালে তেওঁক শতবাৰ প্ৰণাম। সমাজৰ কিছু সংখ্যক লোকে এই মাতৃৰ বুকুৰ উম এৰি মাতৃক বৃদ্ধা আশ্ৰমত থৈ আহে। এনেকি আজিৰ আধুনিক সমাজৰ ব্যক্তি; যিয়ে নিজ মাতৃক বুঢ়া হোৱাৰ লগে লগে নিজৰ লগত ৰাখিবলৈ লাজ কৰে। ধিক্কাৰ, এনে শিক্ষিত সমাজৰ অশিক্ষিত সন্তানক, যি নিজ মাতৃক পৰিয়ালৰ মৰমৰ পৰা বঞ্চিত কৰাই বৃদ্ধা আশ্ৰমৰ দৰে ঠাইত আঁতৰাই ৰাখে। মাতৃৰ যি ঋণ সেইয়া কোনো ব্যক্তিয়ে পৰিশোধ কৰিব নোৱাৰে। অথচ এচাম মানুহে মাতৃক কিয় দুৰ্ব্যৱহাৰ কৰে। কিন্তু ইমান অৱহেলিত হোৱাৰ পিছতো মাতৃৰ বুকুত নিজ সন্তানৰ বাবে মমতা কোনো দিনে নকমে। কিয়নো, মাতৃ মহান। প্ৰণাম, তেনে মাতৃক।

কবিৰ কথাৰে,

মেলিলো প্ৰথম চকু, তোমাৰে কোলাতে আই
জীৱনৰ আদিম প্ৰভাত,
মুদিম আকৌ চকু; তোমাৰ কোলাতে শুই
জীৱনৰ শেষ সন্ধিয়াত ।

—স্নিগ্ধাবণী বাজমোৱা
স্নাতক পঞ্চম ষাণ্মাসিক

মহৎ লোকৰ বাণী —

* জীৱনটো হৈছে এক উত্তৰবিহীন সাঁথৰ ।

— এমাৰছন

* সত্য সদায় জয় ।

— মহাত্মা গান্ধী

# নাৰী মানেই সম্পূৰ্ণ

কেই দিনৰ পৰা মনৰ মাজত আমাৰি ৰখা কিছু কথা আজি ব্যক্ত কৰাৰ প্ৰয়াস। সততে আমাৰ সমাজত শুনা এটি কথা, 'তাই এতিয়াও সম্পূৰ্ণ নাৰী হোৱাগে নাই।' কি অৰ্থ ইয়াৰ? কোনে সাজিছে নাৰীৰ সম্পূৰ্ণ সংজ্ঞা? নাৰী নিজেই সম্পূৰ্ণ, যি আনক পূৰ্ণ কৰে। নাৰীক সম্পূৰ্ণ কিহে কৰিব? এচাম লোকৰ মতে নাৰী বিয়া হৈ সন্তানৰ মাক হ'লেহে পূৰ্ণ নাৰী হয়। হয়, মাতৃত্ব এগৰাকী নাৰীৰ জীৱনৰ আটাইতকৈ শ্ৰেষ্ঠ অনুভৱ হয়। কিন্তু কাৰোবাৰ উদং গৰ্ভ তেওঁৰ অসম্পূৰ্ণতাৰ প্ৰতীক কিদৰে হ'ব পাৰে? কাৰোবাৰ উকা সেঁওতাই তেওঁৰ আধৰুৱা হোৱাৰ পৰিচয় কিদৰে দিব পাৰে? শুনক, নাৰীক পূৰ্ণতা নালাগে, নাৰী প্ৰকৃতি, যি নিজেই নিজতে পূৰ্ণ। বৰঞ্চ পূৰ্ণতা নাৰীয়েহে দিব পাৰে। সেয়া লাগিলে কাৰোবাৰ ঘৰতে হওঁক নাইবা কাৰোবাৰ হৃদয়তে হওঁক। সেইবাবে এচাম লোকক কওঁ যে, নাৰীক মস্কৰাতো বাদেই, সহানুভূতি দেখুৱাবো সাহস নকৰিব সেই শক্তিশালী সত্তাক। মনত ৰাখিব আখ্যান সাক্ষী আছে, যি গৰাকী নাৰীক সমাজে অপূৰ্ণ বুলি থাইছে স্বয়ং নাৰায়ণে সেইগৰাকী নাৰীৰ সন্তান হৈ জন্ম লভিছে, সেইয়া লাগিলে কৌশল্যাই হওঁক বা যশোদাই হওঁক।

– ফাৰহানা বেগম।
স্নাতক পাঠ্যক্ৰম ষষ্ঠ ষাণ্মাসিক।

# চেষ্টাৰ ফল মিঠা

পৃথিৱীৰ প্ৰত্যেকজন মানুহে জীৱন বাটত আগবাঢ়ি যাবলৈ হ'লে নানা বাধা-বিঘিনিৰ সন্মুখীন হ'ব লগা হয়। এবাৰ কৃতকাৰ্য নহ'লেও দ্বিতীয়বাৰ চেষ্টা কৰা উচিত। তাৰ পিছতো অকৃতকাৰ্য হ'লে নতুন উদ্যমেৰে কামত আগবাঢ়ি যাব লাগে। এনেদৰে বাৰে বাৰে কৰা চেষ্টাৰ ফল কেতিয়াও বিফল নহয়। চেষ্টা নকৰিলে কোনো আগবাঢ়ি যাব নোৱাৰে। সেয়েহে জ্ঞানী পুৰুষসকলে কয় — 'উঠা জাগ্ৰত হোৱা আৰু চেষ্টা কৰি থকি তোমাৰ লক্ষ্য পূৰণ কৰা।'

প্ৰখ্যাত সংস্কৃত পণ্ডিত নিজৰ অভিজ্ঞতাৰ বাবে প্ৰায়ে লাজ পাইছিল। সেয়ে তেওঁ লাজত থাকিব নোৱাৰি আত্মহত্যা কৰিবলৈ নদীলৈ গৈছিল। কিন্তু নদীৰ পাৰত এটা শিলত তিৰোতাবিলাকে কলহ থোৱাৰ দৃশ্য দেখি আৰু শিলটো ক্ষয় হৈ এটা সৰু আকাৰ লোৱা দেখি তেওঁৰ মনোবল ঘূৰি আহিছিল। ঘঁহোতে ঘঁহোতে যদি শিল ক্ষয় হয়, তেন্তে চেষ্টা কৰিলে জ্ঞান আহৰণ কৰিব নোৱাৰিব কিয়? শেষত তেওঁ চেষ্টাৰ ফলত বিখ্যাত সংস্কৃত পণ্ডিত হিচাপে খ্যাত হৈ পৰে।

— শিখামণি পাতৰ,
স্নাতক প্ৰথম ষাণ্মাসিক।


কবিতা
কানন

# শৰত অহাৰ বাটে

শৰতৰ সৰাপাতে
ক'লে আহি কাণে কাণে,
জাহ যাম ধৰিত্ৰীৰ কোমল বনত
শীতৰ শেষত আহি
নতুন সাজেৰে সাজি
দেখা দিম বৰ্ণময়ী বসন্ত বনত।
আবেগ, অনুভূতিক লৈ
থাকিম নীৰৱে বৈ,
লগ পাম সৰা ক বকুল বনত।
আঁউসী আন্ধাৰ ঠেলী
শৰতে দলিচা পাৰি,
দিব মোক শাৰদীয় মৃদু অনুভৱ।
ভাগৰি - জুগৰি মই
তথাপি পোৱা নাই,
জুৰ ল'ম সন্ধিয়াৰ বকুলৰ তলত
সেয়ে হ'ব মোৰ বাবে
গভীৰ প্ৰশান্তি
জীৱনৰ শেষ অশ্বাসত।

— ভেয়লিনা দাস।
স্নাতক পঞ্চম ষাণ্মাসিক


# আই

আই, আজি তোমালৈ বৰকৈ মনত পৰিছে
তুমি দিয়া সেই গালি বোৰ যেন,
বৰ্তমান মোৰ জীৱনৰ বাবে আশীৰ্বাদ।
আই, তোমাৰ দৰে এগৰাকী মাতৃ পাই
মই সঁচাকৈ গৌৰৱ অনুভৱ কৰোঁ।
আই, যেতিয়া তোমাৰ কোলাত নিদ্ৰা গৈছিলোঁ,
তেতিয়া যেন জীৱনৰ,
সকলো দুখ-ভাগৰ পাহৰি পেলাইছিলোঁ।
আই তুমি হৈছা মোৰ সাহস, মোৰ আশা
তথা মোৰ জীৱনৰ প্ৰত্যেকটো দিশৰ
পথ প্ৰদৰ্শক।
সৰুৰ পৰা ডাঙৰ হোৱালৈ তুমি মোক
তুমি প্ৰত্যেক খোজতে আগুৱাই দিছিলা,
সৰুতে যেতিয়া বেমাৰ হয় তুমি তেতিয়া
উৰে ৰাতি উজাগৰে কটাইছিলা।
আজি বৰকৈ মনত পৰিছে অ' আই তোমাৰ
সেই মোৰ বাবে কৰা কষ্ট আৰু ত্যাগবোৰ
আই আজি তোমালৈ মোৰ
বৰকৈ মনত পৰিছে অ'।

— পাপী নেওগ।
স্নাতক পঞ্চম ষাণ্মাসিক

# প্ৰকৃতিৰ প্ৰেম


প্ৰভাতী সুৰুযৰ হেঙুলীয়া বৰণে
কৰিলে ধুনীয়া বিনন্দীয়া ধৰা ।
উন্মন হ'ল সেউজীয়া গছ-বন
তগৰ, নাহৰ, গোলাপ
বকুলে বিলালে সুবাস ।
আকাশৰ সঞ্চাৰ হ'ল, দিঠি আঁতৰিল
কাছকবনীয়া চৰাইজাকে উৰিছে উলাহত,
ৰূপ-লাৱণ্যৰ চুমা সৰকে ভুবালে পাৰাণ
সৌন্দৰ্য, পাহাৰ পৰ্বতৰ অপূৰ্ব শোভাই
কৰিছে বলিয়া কত শতজনক ।
নিজৰা বৈছে শিলৰ দলিছাত
প্ৰকৃতিৰ [illegible] [illegible] অপূৰ্ব ৰূপ ।
দূৰৰ ডলিত জ্বলিছে বন্তি সুৰ সমন্বয়ত
প্ৰকৃতিৰ প্ৰেম জগতত, আজি জ্বলিছে ধৰণী ।
ৰিক্ত হৃদয় পাৰাগে পালে যে পূৰ্ণ সঁহাৰি ।



- আল্পনা দাস ,
স্নাতক পঞ্চম ষাণ্মাসিক
সহ - সম্পাদিকা

# মা তুমি অনন্যা

মা ৰ এটা অন্য নাম হৈছে মমতা
মা, এটি পবিত্ৰ শব্দ ।
মা, মই কিয় ডাঙৰ হ'লো
তোমাৰ আঁচল এৰি
নিৰাপদ সেই যে তোমাৰ আঁচলৰ
উমৰ পৰা কিয় বঞ্চিত হলো
মন যায়, পুনৰ মা সৰু হৈ যাবলৈ,
মন যায়, পুনৰ মা তোমাৰ আঁচলত সোমাবলৈ ।
মা তোমাৰ হাতৰ বুলনি,
তোমাৰ গালি, তোমাৰ খং, অভিমান, ঠেহ
কেতিয়া মই ঘূৰাই পাম ?
তোমাৰ বিনে মই মা
নিৰাপদ নহয় ।
তোমাৰ দৰে সঁচাই
এই পৃথিৱীত আন কোনো নহয় ।



- কবী মণ্ডল ।
স্নাতক প্ৰথম ষাণ্মাসিক ।

# অনেকৈয়ে জীৱন জিয়াই থাকে

মই জানিছিলোঁ
পাতবোৰ হেৰুৱাই লঠঙা হৈ পৰা,
শীতৰ সেমেকা দিনৰ গছজোপাৰ দৰেই
তোমাৰ বুকুত বাজি আছে
অহৰহ এক শূণ্যতাৰ করুণ সুৰ ।

শীতৰ অতি সেমেকা ৰাতিবোৰত
থৰথৰকৈ কঁপি থকা
নিঃস্ব হাবিখনৰ দৰেই
তোমাৰ বুকুতো অহৰহ বাজি থাকে
অতীতক হেৰুৱাৰ ভয় এটা ।

তথাপিও পুৱাৰ কুঁৱলী ফালি
প্ৰতিদিনে আহে ফুলি সূৰ্যমুখী
সিঁচিবলৈ কোমল ৰ'দালি আৰু
বসন্ত আহি আঁকিব বুলি
গছে গছে এটি সেউজীয়া হাঁহি ।

পুৰণা স্মৃতিবোৰ বুকুত বান্ধি ৰাখিও
আঁকোৰালী ল'বলৈ নতুন পৃথিৱী
আঁকিবলৈ উঁঠে উঁঠে হাঁহি
এবাৰ মাথো সুৰ তুলি গোৱাচোন তুমি
মই আহিছোঁ তোমাৰ কাষলৈ বুলি ।

- পূজা চেতিয়া
স্নাতক প্ৰথম ষাণ্মাসিক

# যন্ত্ৰণাময় জীৱন

লাহে লাহে জীৱনটো যেন হৈ
পৰিছে যন্ত্ৰণাময় ।
এই যন্ত্ৰণাময় জীৱনত মানুহে
যেন হাঁহিব পাহৰি গৈছে ।
পাহৰি গৈছে সেই পুৰণি দিনবোৰ,
য'ত আত্মীয় - স্বজন, বন্ধু - বৰ্গৰ লগত
আড্ডা মৰা কথাবোৰ ।
সুখ - দুখৰ, হাঁহি - কান্দোনৰ কিমান যে
কথা আলোচনা কৰা হয় ।
কিমান যে ভাল লগা আছিল সেই
দিনবোৰ, সেই সময়বোৰ ভাবিলেই ভাল
লাগি যায় ।
এতিয়া মাথো আছে কাম, কাম, কাম
সকলোৱে এই মাথো কামৰ মাজত
সোমাই পৰিছে, বন্ধু - বৰ্গৰ লগত কথা
পাতিবৰ বাবেও যেন সময় নাই ;
লগ কৰা কথা পতা হয় যদিও
সেইদিনাই কাৰোবাৰ কিবা নহয় কিবা
কাম ওলাবই ; হয় অফিচৰ, নহয় বেংকৰ
সকলোৱে যেন এই সময় আৰু কামৰ
পাকচক্ৰত সোমাই পৰিছে ।

— শিল্পী চেতিয়া ।
স্নাতক পঞ্চম ষাণ্মাসিক ।

# কৃষ্ণচূড়া

হে তুমি কৃষ্ণচূড়া
তুমি প্ৰকৃতিৰ সৌন্দৰ্য বঢ়োৱা ।
তোমাৰ সৌন্দৰ্যত মোহিত হৈ
ৰাধাও নাচে তোমাৰ লগত ।
য'ত থাকে কৃষ্ণচূড়া
তাৰ কাষে কাষে থাকে ৰাধাচূড়া ।
তোমালোকৰ দুয়োৰে সৌন্দৰ্যত
মোহিত হৈ,
সকলোৰে মনত জাগে আনন্দৰ মেলা ।
কৃষ্ণচূড়া, তুমি সকলোৰে মন মোহিত কৰা ।
কি যে আচৰিত এই ৰাধা - কৃষ্ণৰ প্ৰেম,
কি যে আচৰিত এই প্ৰকৃতি জগত
ৰাধা - কৃষ্ণৰ প্ৰেম দেখুৱাইছে
প্ৰকৃতিৰ ৰূপত ।
হে তুমি কৃষ্ণচূড়া
তুমি প্ৰকৃতিৰ সৌন্দৰ্য বঢ়োৱা ।

— প্ৰিয়াংকী গগৈ ।
স্নাতক প্ৰথম ষাণ্মাসিক ।

# বসুমতী

প্ৰকৃতিৰ সৌন্দৰ্য্যৰে ভৰা
এইখন মানুহৰ পৃথিৱী,
সঁচাই ভাল পাওঁ তোমাক ধৰিত্ৰী ।
বিশ্বপতিয়ে হ'ল তোমাৰ পিতা
তাই বসুমতী তুমি চিৰ চেনেহী,
চিৰ জননী মোৰ চিৰ নগৰী ।
হে বসুমতী, তুমি অতিকৈ মহান
তোমাৰ সুকুমল বুকুতেই আজিও প্ৰবাহিত
সাগৰ, মহাসাগৰ, নদ-নদী আৰু জান-জুৰি ।
তাই বসুমতী,
তোমাৰ বুকুতেই আজিও স্থিৰ
পাহাৰ - ভৈয়াম, গছ - গছনি আৰু
সুগন্ধি ফুলেৰে জাতিষ্কাৰ তৰু-তৃণ লতা ।
হে বসুমতী, কিদৰে সহিছা তুমি
এই সা·সংসাৰৰ মায়ামোহ, দুখ - যন্ত্ৰণা ?
বলীয়ে নিৰ্বলীৰ ওপৰত কৰা
নিৰ্যাতন আৰু অত্যাচাৰ ?
অধৰ্মে পৰিপূৰ্ণ ব্যভিচাৰ, অনাচাৰ
অনীতিয়ে ভীৰ কৰা মহাপাতকী,
কদাপিতো বুজিব নোৱাৰো তোমাক
তাই বসুমতী, তাই বসুমতী, তাই বসুমতী ।

– প্ৰতীক্ষা দাস ।
স্নাতক প্ৰথম ষাণ্মাসিক.

# গাৱলীয়া জীয়ৰী

গাৱলীয়া সমাজৰ জীয়ৰী তাই,
সেউজীয়া প্ৰকৃতিৰ বিনন্দীয়া
ছোৱালীজনীৰ অলেখ সপোন ॥
তাই হেনো :.. নিজেই ৰচিব
নিজৰ জীৱন পাতনি,
জীৱন নামৰ প্ৰথম পৃষ্ঠাত থাকিব,
তাই কষ্ট আৰু সাধনা ॥
আনফালে, মৰম আৰু স্নেহৰ
এনাজৰীয়ে বান্ধি থায় থাকিব,
পিতৃ-মাতৃৰ কৰ্তব্য ॥
শৈশৱৰ স্মৃতিবোৰে তাইক বৰকৈ
আমনি কৰে....কিয়নো....!
পিতৃ-মাতৃৰ বহু কষ্টৰ বিনিময়তে
তাই সাধনা জগতৰ আকোঁৱালত
এখোজ-দুখোজকৈ আগুৱাই যায় ॥
বিভিন্ন পৰিস্থিতিৰ মাজত নিজকে
খাপ-খুৱাই গাঁৱলীয়া জীৱনত
আগুৱাই যোৱা ছোৱালীজনী তাই....॥

— ৰুমী গগৈ
স্নাতক তৃতীয় ষাণ্মাসিক

# শ্বহীদ প্ৰণামো তোমাক

হে শ্বহীদ প্ৰণামো তোমাক,
তোমাৰ ত্যাগেৰেই গঢ়িম দেশ আমাৰ।
এই দেশৰ শিশু আমি,
ভৱিষ্যতে এই দেশক ধৰিম বান্ধি।
সন্ত্ৰাসবাদ দূৰ কৰি; এই দেশত শান্তি গঢ়িম।
আহা দেশ মাতৃৰ সন্তানসকল,
আমি হাতে হাতে ধৰি আগুৱাই যাওঁ;
শ্বহীদক প্ৰণাম জনাওঁ ॥

— শিল্পা দাস
স্নাতক প্ৰথম ষাণ্মাসিক

# নিস্তব্ধতা

আজি এই নিভাজ ৰাতিৰ
আকাশখন মোৰ যেন আপোন হৈ পৰিছে ,
এই আকাশখনত থকা জোনটোৱেও
মোক যেন বহু কথা ক'ব বিচাৰিছে ।
তৰাবোৰেও যেন তিৰবিৰাই
তিৰবিৰাই নৃত্য কৰিছে ,
আজিৰ এই নিভাজ ৰাতিত আমাৰ সেই ফিনকিনীয়া
ৰঙমুণৰ দিনবোৰে মোৰ বাৰুকৈয়ে মনত পৰিছে ।
মোৰ এনে লাগিছিল জানা ,
সেই ৰঙমুণজাকেও ৰঙতে
আমোলমোলাই ঢেও ধৰি নাচিছে ।
দুৰ্ভাগ্য , আজি মই দুৰ্ভাগ্য
আজি মোৰ সকলো থাকিও আৰ্বিকৰা ।
আজি এই নিভাজ ৰাতিৰ
মোৰ এই গোপন কথাবোৰে
মোক বাৰুকৈয়ে আঁজুৰি ধৰিছে,
কেৱল আঁজুৰি ধৰিছে ।

- ৰিমনী বেগম .
স্নাতক তৃতীয় ষাণ্মাসিক ।

# Echoes of Dawn


The sky spills link on morning's page,
A golden sun escapes its cage.
Dreams take root where shadows fade,
In silent halls where hopes are made.

Each mind a river, deep and wide,
Following with questions none can hide.
And every soul, a lantern's flame,
Seeking truth, yet never the same.

College – our garden of fleeting hours,
where youth unfolds like fragile flowers.
when petals fall, the fragrance stays,
guiding us through untraveled ways.

– Prianka Borah
5th Semester.

# গল্প



# মনীষাৰ যাত্ৰা

মনীষা এখন সৰু গাঁওৰ এজনী সাধাৰণ ছোৱালী। চাহ বাগিচাৰ অস্থায়ী পিতৃ আৰু ঘৰ-গৃহস্থালিৰ কামত ব্যস্ত মাকৰ ঘৰত জন্ম হৈছিল। শৈশৱৰ পৰাই মনীষাৰ জীৱনত দৰিদ্ৰতাই সংগী আছিল। স্কুললৈ যাওঁতে তাই বহু সময় খালী পেটে দিন আৰম্ভ কৰিছিল। তথাপি, তাই নিজৰ সপোন, আশা সদায় দীপ্ত আছিল।

ৰাতিপুৱাৰ পৰা তাই প্ৰায় একেষাৰ কথাকে শুনিছিল — "ছোৱালী হ'লে কি কৰিব? ঘৰত থাক, ঘৰৰ কাম শিক, পিছত কামত আহিব, তাতেই যথেষ্ট।" এই কথাষাৰে তাইৰ মনত কেতিয়াবা বৰকৈ আঘাত দিয়ে। তাইৰ সকলোকে চিঞৰি চিঞৰি কবৰ মন যায় যে এজনী ছোৱালীৰ জীৱনৰ লক্ষ্য কেৱল বিয়া হোৱা নহয়। তাৰ সলনি তেওঁলোকে যদি কৈলে হয় যে — তুমি এজনী ভাল ছোৱালী হোৱা সকলোকে দেখুৱাই দিয়া যে ছোৱালীয়ে নোৱাৰা কাম একো নাই, সকলো ছোৱালীয়ে শিক্ষিত হওঁক। সকলোৰে সাহস হৈ থিয় দিয়া যাতে আন দহ জনী ছোৱালীয়ে তোমাক দেখি সপোন ৰচিব পাৰে। কিন্তু কোনে কব?

মনীষাক মাকে নীৰৱে কোৱা এটা বাক্য তাই সদায় মনত ৰাখিছিল —

"সপোন পালে, জীৱনৰ পথটো বেলেগ হ'ব পাৰে।" এইষাৰ কথাকে তাই সাহস হিচাপে লৈ জীৱনৰ গতি পথত আগবাঢ়িব লৈছিল। তাই নিজৰ ওপৰত সম্পূৰ্ণ বিশ্বাস আছিল যে এদিন নহয় এদিন

তাই নিশ্চয় সফল হ'ব ।

## স্কুলীয়া-দিন

স্কুলত মনীষা আছিল এজনী সহজ সৰল কিন্তু মেধাৱী ছাত্ৰী । আনৰ পৰা ধাৰ কৰি পুৰণি কিতাপ বহী লৈ তাই নিজৰ শিক্ষা আগবঢ়াই ছিল । তাইৰ লগৰ ছোৱালীবোৰে তাইক দেখি হাঁহিছিল, ঠাট্টা কৰিছিল, কাৰণ সিহঁতৰ নিচিনাকৈ তাইৰ নতুন কাপোৰ, জোতা, বেগ, কিতাপ, বহী নাছিল, তাই জীৰ্ণ কাপোৰ, খালি ভৰি আৰু লোকৰ পৰা অনা পুৰণি বহীমনহে আছিল। কিন্তু শিক্ষকসকলে তাইক বৰ মৰম কৰিছিল আৰু সদায় আগুৱাই যোৱাত আগবঢ়াই আৰু উৎসাহ দিছিল ।

স্কুলৰ খেল-ধেমালি প্ৰতিযোগিতা সমূহতো তাই ভাগ লৈছিল। সাহিত্য প্ৰতিযোগিতাত তাই লিখিলে যে "শিক্ষা হৈছে মোৰ জীৱনৰ একমাত্ৰ অস্ত্ৰ। মই পঢ়ি-শুনি ডাঙৰ হৈ আমাৰ গাঁওখনৰ সকলো ছোৱালীক দেখুৱাব বিচাৰো যে শিক্ষা থাকিলে আমিও পিছ পৰা নহয় ।"

আৰু সেই সাহিত্য প্ৰতিযোগিতাত তাই প্ৰথম পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হ'ল। আৰু সকলোৱে তাইক উৎসাহ দিলে ।

# কলেজৰ পথ

হাইস্কুলত উজ্জ্বল ফলাফলৰ পিছত কলেজত ভৰ্তি হোৱাৰ সময়ত তাইৰ আৰ্থিক সমস্যাই দেখা দিছিল। পিতৃৰ আয়ে সামান্য, মাকে কিবাকে ঘৰৰ কাম কৰি যি উপাৰ্জন কৰে, তাতে সংসাৰ চলাই কঠিন। এই সকলোবোৰ ভাবি তাই প্ৰথমে কলেজত পঢ়া আশা বাদেই দিছিলে কিন্তু, সেই সময়ত গাঁও খনৰ কেইজনমান শিক্ষক আৰু বন্ধু-বান্ধৱীয়ে তাইক সহায়ৰ হাত আগবঢ়ালে আৰু আগবাঢ়ি যোৱাত সহায় কৰিলে। আৰু সকলো গাঁওবাসীয়ে তাই উৎসাহ, সাহস আৰু প্ৰেৰণা যোগালে।

কলেজৰ প্ৰথম দিনত মনিষাই নিজৰ দিনাচৰ্যায় লিখিছিল-" আজিৰ পৰা মোৰ যাত্ৰা আৰম্ভ হ'ল। সকলোৱে মোক লৈ যি আশা কৰিছে তাত মই চেঁচা পানী ঢালিব নোৱাৰো যিমান পাৰো কষ্ট কৰি যাম, মই মোৰ বাবে নহয়, সকলো ছোৱালীৰ বাবে আগবাঢ়িম।

কলেজৰ দিনবোৰ বৰ সহজ নাছিল। বহু দুঃখ কষ্টৰ মাজেৰে মনিষাই অধ্যয়ন কৰি ৰাখিছিল। এবাৰ কলেজত তাই সাংস্কৃতিক-অনুষ্ঠানত-"নাৰী আৰু শিক্ষা" শীৰ্ষক বক্তৃতা দিয়াৰ সুযোগ পালে। সেই অনুষ্ঠানত তাই নিজৰ দুঃখ কষ্টৰ মাজেৰে পাৰ হৈ কেনেকৈ ইমান দিনি আগবাঢ়ি আহিলে সেই কথা উল্লেখ কৰিলে। লগতে ক'লে যে আমাৰ সমাজত ছোৱালী সকলে এতিয়াও শিক্ষা লাভৰ সুযোগ নাপায়। কিন্তু শিক্ষাই হ'ল জীৱন সলনি কৰাৰ একমাত্ৰ শক্তি। মই পাৰিবলৈ সক্ষম হৈছোঁ, তেওঁ প্ৰতিজনী ছোৱালীয়ে সক্ষম হ'ব পাৰে।

সকলোৱে নিজৰ সপোন ৰচিব পাৰে। পূৰণ কৰিব পাৰে।"

তেওঁ বক্তৃতাই উপস্থিত সকলোকে আপ্লুত কৰাৰ লগতে সকলোৰে চকুত লোতক ওলালে।

## নতুন দিশ

কেইবছৰ মান পিছত পিছত মনীষাই প্ৰথম শ্ৰেণীত স্নাতক হ'ল। কলেজৰ সমাৱৰ্তন অনুষ্ঠানত তাইক সন্মানিত কৰিলে। পিতৃৰ চকুত গৌৰৱৰ অশ্ৰু নিগৰিলে, আৰু মাকে হাঁহি হাঁহি ক'লে — "তোৰ সপোনত মোৰ জীৱন জীয়া হ'ল।"

এতিয়া মনিষা এজনী ~~সমাজ~~কৰ্মী হোৱাৰ লগতে এগৰাকী ভাল শিক্ষয়িত্ৰীও। তাই গাঁওখনৰ সৰু ছোৱালীৰ বাবে বিনামূলীয়া শিক্ষা কেন্দ্ৰ খুলিছে। তাই প্ৰতিদিনে কয় যে —

" অন্ধকাৰ যিমানেই গভীৰ নহওঁক কিয়, আশা আৰু আত্মবিশ্বাস থাকিলে দীপ্ত বিচাৰি পোৱা যাবই। আৰু শিক্ষাই হ'ল দীপ্ত।" লগতে এইটো ক'লে যে সঁচাকৈ চেষ্টা কৰিলে জীৱনৰ যিকোনো বাধাইও হাৰ মানিব লাগিব।

— ময়ূৰী ডেকা

স্নাতক পঞ্চম ষাণ্মাষিক

# শিক্ষকতা

"মা - দেউতা, মই আহিলো দেই" বুলি পৰী বিদ্যালয়লৈ যাবলৈ ওলাল। শিক্ষকতা বৃত্তি গ্ৰহণ কৰা পিছত পৰীৰ আজি প্ৰথমটো শিক্ষক দিৱস। বিদ্যালয়ৰ দুৱাৰডলিত সেৱা কৰি তাই বিদ্যালয়ৰ ভিতৰলৈ সোমাই গ'ল। এই অভ্যাসটো বিদ্যালয়ত অধ্যয়ন কৰি অহা দিনৰ পৰা আজিলৈকে একেই আছে। পৰীয়ে নিজে শিক্ষা গ্ৰহণ কৰা বিদ্যালয় খনতে বৰ্তমান শিক্ষকতা কৰি আছে। শিক্ষক দিৱস উদযাপনৰ বাবে বিদ্যালয়খন ধুনীয়াকৈ সজাই তুলিছে। শিক্ষক দিৱস উপলক্ষ্যে আয়োজন কৰা সভাখন, দিনৰ ঠিক ১২ বজাৰ লগে লগে আৰম্ভ কৰা হ'ল। সমূহ শিক্ষক-শিক্ষয়িত্ৰীসকলক শুভেচ্ছা জনোৱাৰ লগতে একোটা কলম আৰু একোপাহ ধুনীয়া গোলাপ ফুল যাচিলে। শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰত্যেক গৰাকী ছাত্ৰ-ছাত্ৰীক মৰম-আশীৰ্বাদ জনালে। ছাত্ৰ-ছাত্ৰীসকলক দেখি পৰীৰ কিমান ভাল লাগিছিল সেয়া তাই ভাষাৰে বুজাব নোৱাৰে। সভাত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লগতে পৰীয়েও সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জীৱনৰ বিষয়ে, শিক্ষক দিৱস পালনৰ উদ্দেশ্যৰ বিষয়ে বক্তব্য দাঙি ধৰে। সেইদিনা সকলোৱে বৰ স্ফূৰ্তি কৰিলে আৰু লঘু আহাৰ গ্ৰহণ কৰি যথাসময়ত সভা ভংগ কৰি সকলো ঘৰলৈ উভতিলে।

পখীয়ে আনন্দ মনেরে ঘৰলৈ অহা দেখি মাকে সুধিলে, "মাজনী, আজি কেনেকুৱা লাগিল ?" পখীয়ে বেগটো থৈ মাকক সাৱাতি আনন্দ মনেৰে ক'লে, "আজি কিমান ভাল লাগিল মই তোমাক বুজাই ক'ব নোৱাৰো। আজি পুৰণি কথাবোৰ বহুকৈ মনত পৰিছে। আগতে যে শিক্ষক দিৱসৰ দিনটোত ফুলৰ মালা গাঁথাৰ পৰা ছাত্ৰ-বাইদেউক কেনেদৰে শুভেচ্ছা জনাম তাৰ কথা ভাবি মোৰ তত নাইকিয়া হয়। আজি সেই শিক্ষকৰ আসনত বহি মোৰ এনে অনুভৱ হৈছিল যেন পৃথিৱীৰ সমস্ত সুখখিনি মোৰেই। ছাত্ৰ-ছাত্ৰীসকলৰ আমাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সন্মান দেখি শিক্ষকতাৰ পবিত্ৰ বৃত্তিৰ বিষয়ে সঠিকে অনুধাৱন কৰিব পাৰিলো। কৰ্ম জীৱনত মই শিক্ষকতাৰ প্ৰকৃত দায়িত্ব - কৰ্তব্য সদায় পালন কৰি যোৱাৰ প্ৰতিজ্ঞা কৰিলোঁ।"

তেতিয়া মাকে তাইক ক'লে, "তোমাৰ সৰুৰ পৰাই সপোন আছিল এগৰাকী শিক্ষয়িত্ৰী হোৱাৰ আৰু এতিয়া তোমাৰ সেই সপোন পূৰ হ'ল। তুমি এটি মহান বৃত্তি গ্ৰহণ কৰিছা। এই পবিত্ৰ দিনটো আজি তুমি এগৰাকী সৎ শিক্ষাগুৰু হৈ শিক্ষাৰ্থীসকলৰ উন্নতি আৰু সমাজৰ হিতৰ কাৰণে কাম কৰি যাবা বুলি পণ লোৱা।"

"নিশ্চয় মা, মই সদায় ছাত্ৰ-ছাত্ৰীৰ মাজত পোহৰ বিলাম। তেওঁলোকেই দেশৰ ভৱিষ্যৎ।"

পৰীয়ে দুচকুত এজাক সপোন লৈ কমায়াৰ কাণে।

— মনস্মিতা শৰ্মা

স্নাতক প্ৰথম যাণ্মাসিক

মহৎ লোকৰ বাণী –

* কোনোৱে তোমাক সহায় কৰিব নোৱাৰে। নিজেই নিজৰ সহায় লোৱা।

— বুদ্ধদেৱ

* কৰ্মৰ মাজতে হে পূৰ্ণতা জীৱনত লাভ কৰে।

— বেইলী

* উশাহ লৈ থকা মানেইতো জীয়াই থকা নহয়।

— মেমিটে

# নীলা খামৰ চিঠি

প্ৰিয়,

হৃদয়ফুলৰ অজস্ৰ শুভেচ্ছাৰে প্ৰথমখন চিঠি তোমালৈ বুলি, আবেগৰ মাজতেই গুঁথি দিছো অনাবিল হেপাহৰ তৰাফুল। আশা; পত্ৰৰ ভবিষ্যতেই জানি লোৱা এমুঠি সেউজীয়া অনুৰাগফুল ভাল লগাৰ নামেৰে, ভালে আছা তাতে নিশ্চয় ?

কিহৰ পৰা যে আৰম্ভ কৰোঁ হৃদয়ফুলৰ বীহাগীৰাগী, আগতেই হেৰাইছে ভাষা ভাৱনাৰ অথাসাগৰত। তোমাৰ কথা মনলৈ আহিলেই, ফুলি উঠে জোনা মনকাৰেণত জোনাক যেন আহ্লাদ সুবাসিত পোৱালি। তোমাৰ প্ৰেৰণা-তেই মই হৈ পাৰোঁ কেতিয়াবা কবি নতুবা যোগী। নাজানোঁ, শান্ত কৰিবানে নাই তুমি মোৰ মনৰ আকুলতাক, তথাপি অজস্ৰ আদৰেৰে এইয়া মেলি লৈছো এখনি বগা কাগজ, কৃষ্ণপক্ষীৰ পখী নহলেও কলমৰ আঁখৰেৰেই বোৱাই দিও বুলি সমস্ত সুৰাগীৰাগী; কিজানিবা পুৰ হৈয়েই হৃদয়ৰ সমস্ত অনুৰাগৰ কাহিনী।

অজানিতেই যেন মোৰ মনলৈ নামি আহিছিল এজাক ফাগুনীয়া ৰ'দ, এই ৰ'দালিৰ অময়া বাণীত প্ৰাণ পাই উঠিছিলো মই, বহুবাৰ ভাবিছিলো এইবাৰ দেখা হলে ব্যক্ত কৰিম হৃদয়ৰ সকলো কথিকা তোমাৰ সন্মুখত, কিন্তু অদৃশ্য এক শিকলীয়ে বান্ধি ৰাখিছিল মোক। সেইদিনা কৃষ্ণচূড়াৰ ভাল লগা বোৰৰ মাজত তোমাক প্ৰথমবাৰৰ বাবে নেদেখা হেতেঁন মোৰ অন্তৰতো নাবজিলহেঁতেন ভালপোৱাৰ

এক পক্ষীয় ধুমুহা জাক। জানা ! এতিয়া মোৰ অন্তৰ পোহৰাবলৈ জোন বেলি তৰা নালাগে, সেইয়া প্ৰাকৃতিক। লাগে মাথোঁ এল পোৱাৰ নৱজ্যোতি। তোমাক প্ৰথম দেখোঁতেই নামি আহিছিল মোৰ হৃদয়লৈ এজাক আহিনীয়া ৰ'দ, নয়নহালি থ'ৰ লাগিছিল তুমি নামৰ সত্বাটোত, দুই চাইছিলো নিজকেই, বুকুৰ ধমনিত এইয়া চেঁচা হিমালয় কঁৰ! কোৱা শুনো এল-পোৱাত পৃথিৱীখন বৈ যায়, এইয়া সঁচা জানো প্ৰেমৰ বাগত সঁচাই উমাল নাথাকে পৃথিৱীৰ। নিজকেই নিজে কঁৰ প্ৰশাটিত থৈছি আহিছিলা এজাটিক কাঠচম্পাৰ ৰিমি ৰিমি সুগন্ধি তুমি নামৰ। মোৰ মনৰ আকুলতা তোমাৰ নামৰেই বিয়াকুল হৈ যায়, প্ৰিয় নাৰী। এইয়া মোৰ তোমালৈ বাঢ়ি থোৱা অন্তহীন এক অনুৰাগ। এই অনুৰাগৰ নৈমন বৈয়ে থাকিব হৃদয়ৰ পৰা হৃদয়লৈ, যদিহে তুমি আদৰি লোৱা।

তোমাক প্ৰথম দেখাৰে পৰাই এক পক্ষীয়তাত ডুবি আছোঁ, তাৰেই ভাঁত ধৰি এইয়া বহি লৈছোঁ কৃষ্ণচূড়া দেশৰ দেশৰ বাখালৈ একলাম লিখোঁ বুলি। অজানিতে বাঢ়ি আহিছে তোমালৈ বুলি অনুৰাগবোৰ। প্ৰেমত পৰিবলৈ বিশেষ একো নালাগে দিয়াটোন, তোমাৰ শান্ত সৌম্য সুমনি আৰু চকুযুৰিয়েইটো যথেষ্ট কল্পনাৰ মাজতেই তোমাৰ ছবি আকোঁ মই, তোমাৰ সৈতে বুৰ যাঁও অন্তহীন কোনো কাম্বিকাত, তুমি বাৰু মানি লবানে! মেলি দিবানে হৃদয় দুৱাৰৰ মামৰে ধৰা খিলি। ক্ৰমান্বয়ে তোমাৰ ব্যক্তিত্বৰ প্ৰেমত প্ৰতিপলে, প্ৰতিক্ষণে আত্মসমৰ্পণ কৰে মোৰ দুচকুৱে। দুই অধৰে গুণাগুনাৰ খোজে তুমি নামৰ আপোন সুৰটিৰ। স্বৰাস্থিতি কৰি এৰি যাব নেকি কেনেবাকে বেহুলবতী লোটকচম্পা নদীৰ জলধীয়ে।

যদি তোমাৰ অনুমতিয়ে অবিহনেই তোমাৰ প্ৰেমত পৰিলোঁ, নকৰা এইয়া অপৰাধ বুলি। তোমাৰ প্ৰিয় পুৰুষ হ'বলৈ এনে হাজাৰ অপৰাধৰ অপৰাধীয়ে হৈয়ে ৰব বিচাৰোঁ মই।

শেষত, চিঠিৰ ভাজতেই অনেক উজ্জ্বল স্বপ্নিল আৰু গীতৰ কবিতা গালোঁ, বুকুৰ পুঞ্জিভূত প্ৰেমৰ বৈপৰীত্যত মেহু পাতি বহি থকা কলীয়া ভোঁৰৰ হৃদয়ৰ সমস্ত প্ৰেমৰ মালিতাই বোৱাই পেলালোঁ, এটুপি প্ৰেমৰ কাতৰতাত উপচা দুটি কাজল ঘাটৰ প্ৰেম প্ৰাৰ্থনাৰ আবাহন স্বীকাৰ কৰিবা বুলি অশেষ হেপাঁহেৰে, জীৱন নদীৰ দুটি পাৰ হৈ বোৱাতকৈ এক হৈ মিলি যোৱা মিলনিৰে..... আজিলৈ সামৰোঁ; সোনকালেই লগ পোৱাৰ আশাৰে, মোৰ অকৃত্ৰিম স্নেহৰ টোপোলাটো তোমালৈ পঠালোঁ। ভুলি চাবা,


মৰমৰ উত্তৰ কিজানি বুজিয়েই পোৱা।

- ইতি

অশেষ শুভেচ্ছা আৰু প্ৰেমেৰে তোমাৰ

— প্ৰিয়াঙ্কী গগৈ

স্নাতক প্ৰথম ষাণ্মাসিক



# কলা বিভাগ


উত্তৰণ


উত্তরণ
SumiA

